**22E—ACOU**

# 2022

## ACCOUNTANCY

**( Commerce )**

*Full Marks* : 100
*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**ALLOTMENT OF MARKS**

| | | | |
|---|---|---|---|
| Q. No. **1** *(a–h)* carries *1* mark each | : | 1×8 = | 8 |
| Q. Nos. **2** to **6** carry *2* marks each | : | 2×5 = | 10 |
| Q. Nos. **7** to **11** carry *3* marks each | : | 3×5 = | 15 |
| Q. Nos. **12** to **18** carry *5* marks each | : | 5×7 = | 35 |
| Q. Nos. **19** to **22** carry *8* marks each | : | 8×4 = | 32 |
| | | Total = | 100 |

1. Fill in the blanks/Choose the correct answer/Write True or False of the following : 1×8=8

তলত দিয়াবোৰৰ খালী ঠাইবোৰ পূৰণ কৰা/শুদ্ধ উত্তৰ লিখা/সঁচা নে মিছা লিখা :

*(a)* Accounting records only the transactions of _____ nature.

হিচাপকৰণে কেৱল _____ লেনদেনসমূহহে লিপিবদ্ধ কৰে।

*(b)* The convention of conservation results in under-statement of _____.

সংৰক্ষণশীল প্ৰথাৰ ফলত _____ কম মূল্য দেখুওৱা হয়।

*(c)* The rule for Personal Account is _____ the receiver and _____ the giver.

ব্যক্তিগত হিচাপৰ সূত্ৰ অনুযায়ী সুবিধা পাওঁতাজনক _____ আৰু সুবিধা প্ৰদান কৰোঁতাজনক _____ কৰা হয়।

*(d)* Trial Balance is an account/a statement/an information.

উদ্বৃত্ত মিলনপত্ৰ এক হিচাপ/এক বিবৃতি/এক তথ্য।

*(e)* The sale value of an asset after it becomes useless is called _____.

ব্যৱহাৰৰ অনুপযোগী হোৱাৰ পাছত সম্পত্তিৰ বিক্ৰী মূল্যক _____ বুলি কোৱা হয়।

*(f)* A bill of exchange is a conditional document.

এখন বিনিময়পত্ৰ হ'ল চৰ্তসাপেক্ষ দলিল।

(g) Outstanding rent is a revenue/liability.
অপ্ৰদত্ত ভাড়া এবিধ ৰাজহ/দেনা।

(h) The full form of CPU is _____.
CPUৰ সম্পূৰ্ণ ৰূপটো হ'ল _____।

2. Define Accounting. 2
হিচাপ লেখনৰ সংজ্ঞা দিয়া।

3. What is entity assumption? 2
অস্তিত্বৰ ধাৰণা কি?

4. What is the principle of double-entry system of book-keeping? 2
হিচাপ ৰক্ষণৰ দ্বি-প্ৰৱিষ্টি পদ্ধতিৰ নীতি কি?

5. What is Suspense Account? 2
স্থগিত হিচাপ কি?

6. What is the function of Provision for Bad and Doubtful Debts? 2
অনুদ্ধাৰণীয় আৰু সন্দেহজনক ঋণৰ বাবে ভৱিষ্য ব্যৱস্থাৰ কাম কি?

7. Write three distinctions between Bill of Exchange and Promissory Note. 3
বিনিময়পত্ৰ আৰু প্ৰতিশ্ৰুতিপত্ৰৰ মাজত থকা তিনিটা পাৰ্থক্য লিখা।

8. What is meant by adjustment entry in final accounts? Give two examples of adjustment entry. 3
চূড়ান্ত হিচাপৰ সংযোজনী প্ৰৱিষ্টি বুলিলে কি বুজায়? সংযোজনী প্ৰৱিষ্টিৰ দুটা উদাহৰণ দিয়া।

**9.** Write three limitations of incomplete records. 3

অসম্পূৰ্ণ লিপিবদ্ধকৰণৰ তিনিটা সীমাবদ্ধতা লিখা।

*Or / নাইবা*

Mention three qualitative characteristics of accounting information.

হিচাপকৰণৰ তথ্যৰ তিনিটা গুণগত বৈশিষ্ট্য উল্লেখ কৰা।

**10.** Explain money measurement concept. 3

মুদ্ৰাৰ মাধ্যমত প্ৰকাশৰ ধাৰণাটো ব্যাখ্যা কৰা।

**11.** Explain three benefits of computerized accounting system. 3

কম্পিউটাৰযুক্ত হিচাপকৰণৰ তিনিটা সুবিধা লিখা।

*Or / নাইবা*

Write three uses of database management system.

Database পৰিচালনা পদ্ধতিৰ তিনিটা ব্যৱহাৰ লিখা।

**12.** What is accounting standard? Mention its three importances. 5

হিচাপবিদ্যাৰ মান বুলিলে কি বুজা? ইয়াৰ তিনিটা প্ৰয়োজনীয়তা উল্লেখ কৰা।

**13.** Show the distinction between Journal and Ledger. 5

জাবেদা আৰু খতিয়নৰ মাজত পাৰ্থক্য দেখুওৱা।

*Or / নাইবা*

From the following particulars, prepare Sales Book of M/s Sharma Enterprise, deals in furniture :

মেচাৰ্চ শৰ্মা এন্টাৰপ্ৰাইজৰ ফাৰ্নিচাৰ হাউচৰ তলত দিয়া লেনদেনৰ পৰা বিক্ৰয় বহী প্ৰস্তুত কৰা :

March 6 Sold on credit to Bimal Stores
বিমল স্টোৰক বাকীত বেচা গ'ল
5 almirahs @ ₹ 650
5টা আলমাৰী প্ৰতিটো 650 টকা দৰত
5 tools @ ₹ 50
5খন টুল প্ৰতিখন 50 টকা দৰত
Less 5% Trade Discount
বাদ 5% ব্যৱসায়িক বাট্টা

" 12 Sold to Bora Furniture House
ব'ৰা ফাৰ্নিচাৰ হাউচক বেচা গ'ল
100 chairs @ ₹ 75
100খন চকী 75 টকা দৰত
40 tables @ ₹ 60
40খন মেজ 60 টকা দৰত
Less Trade Discount 10%
বাদ ব্যৱসায়িক বাট্টা 10%

" 18 Sold on credit two old typewriters to Madan and Co. @ ₹ 800
মদন এন্ড কোম্পানীক বাকীত দুটা পুৰণি টাইপৰাইটাৰ 800 টকা দৰত বেচা হ'ল

" 28 Sold to Satyabrata Baishya in cash
সত্যব্ৰত বৈশ্যক নগদ টকাত বেচা গ'ল
1 sofa set @ ₹ 750
এটা চোফাচেট 750 টকাত
1 dining set @ ₹ 900
এটা ডাইনিং চেট 900 টকাত

**14.** On 1st April, 2003, *A* drew a three months' bill for ₹ 10,000 on *B*, who accepted the same and returned it to *A*. On 4th May, 2003, *A* discounted the bill with his banker @ 6% p.a. On due date, the bill was dishonoured by *B* and bank incurred noting charge of ₹ 15. Pass necessary Journal Entries in the books of *A*. 5

2003 চনৰ 1 এপ্ৰিলত *A*; *B*ৰ ওপৰত তিনি মাহৰ বাবে 10,000 টকাৰ এখন বিল বনালে। *B*য়ে বিলখনত স্বীকৃতি প্ৰদান কৰি *A*লৈ প্ৰেৰণ কৰে। 2003 চনৰ 4 মে তাৰিখে *A* শতকৰা বছৰি 6%ত বিলখন বাট্টাত ভঙায়। দেয় তাৰিখত *B* বিলখন প্ৰত্যাখ্যান কৰে। বেংকে 15 টকা নথিভুক্ত ব্যয় দিব লগা হয়। বিলকাৰক *A*ৰ বহীৰ আৱশ্যকীয় জাবেদা প্ৰৱিষ্টি লিপিবদ্ধ কৰা।

*Or / নাইবা*

What is transaction processing system? Discuss.

লেনদেন প্ৰক্ৰিয়াকৰণৰ প্ৰণালী বুলিলে কি বুজা? আলোচনা কৰা।

**15.** Show the distinctions between Book-keeping and Accountancy. 5

হিচাপৰক্ষণ আৰু হিচাপকৰণৰ মাজত থকা পাৰ্থক্য লিখা।

*Or / নাইবা*

What do you mean by Generally Accepted Accounting Principles? Explain 'Recognise all losses anticipate no gain'.

সাধাৰণভাৱে গ্ৰহণযোগ্য হিচাপ লেখনৰ নীতি বুলিলে কি বুজা? 'সকলোবোৰ লোকচান লেখত ল'বা, আগতীয়াকৈ প্ৰত্যাশা নকৰিবা' ব্যাখ্যা কৰা।

**16.** From the following incomplete records of Mr. Bhuban, a trader, ascertain the profit or loss of his business for the year ended on 31.03.2014 : 5

Mr. Bhuban, এজন ব্যৱসায়ীৰ নিম্নলিখিত অসম্পূৰ্ণ লিপিবদ্ধৰ পৰা 31.03.2014 তাৰিখত অন্তপৰিবলগীয়া বছৰৰ লাভ-লোকচান উলিওৱা :

On 31st March, 2014, his position was as follows :

31 মাৰ্চ, 2014 তাৰিখত তেখেতৰ স্থিতি তলত দিয়া ধৰণৰ :

| | ₹ (টকা) |
|---|---|
| Plant and Machinery<br>কলকব্জা আৰু যন্ত্ৰপাতি | 50,000 |
| Furniture and Fixtures<br>আচবাব আৰু স্থায়ক | 22,000 |
| Bills Receivable<br>প্ৰাপ্য বিল | 7,900 |
| Sundry Debtors<br>বিভিন্ন দেনাদাৰ | 27,500 |
| Sundry Creditors<br>বিভিন্ন পাওনাদাৰ | 14,700 |
| Closing Stock<br>সামৰণি মজুত পণ্য | 32,000 |
| Cash in Hand<br>হাতত নগদ জমা | 1,200 |
| Cash at Bank<br>বেংকত নগদ জমা | 6,700 |

During the year, Mr. Bhuban introduced ₹ 12,000 as additional capital and withdrawn ₹ 9,700 for personal use. His capital as on 1st April, 2013 was ₹ 99,750.

বছৰটোৰ ভিতৰত Mr. Bhubanয়ে 12,000 টকাৰ অতিৰিক্ত মূলধন খটালে আৰু ব্যক্তিগত ব্যৱহাৰৰ বাবে 9,700 টকা আহৰণ কৰিলে। 1 এপ্রিল, 2013 তাৰিখত তেওঁৰ মূলধন আছিল 99,750 টকা।

*Or / নাইবা*

Explain the principles of determining Capital expenditure and Revenue expenditure.

মূলধনজাতীয় খৰচ আৰু চলিত খৰচ নিৰ্ধাৰণ কৰাৰ নীতিবোৰ আলোচনা কৰা।

**17.** Explain the errors not detected by a Trial Balance. 5

উদ্বৃত্ত মিলনপত্ৰৰ দ্বাৰা ধৰা নপৰা ভুলবোৰ আলোচনা কৰা।

*Or / নাইবা*

The following errors were detected during the accounting year before preparation of Trial Balance. Pass Journal Entries to rectify them :

কোনো এক বছৰত উদ্বৃত্ত মিলনপত্ৰ প্ৰস্তুত কৰাৰ আগতে তলত দিয়া ভুলবোৰ ধৰা পৰে। সেই ভুলবোৰ শুদ্ধ কৰাৰ বাবে জাবেদা প্ৰৱিষ্টি লিপিবদ্ধ কৰা :

*(i)* Goods purchased from Gunin Kalita on credit ₹ 4,000 was recorded in the purchase book as ₹ 400.

গুনীন কলিতাৰ পৰা 4,000 টকাৰ বস্তু বাকীত ক্ৰয় কৰাৰ লেনদেন ক্ৰয়বহীত 400 টকা হিচাপে লিপিবদ্ধ কৰা হয়।

*(ii)* Goods amounting ₹ 5,000 have been sold on credit to Ram but no entry has been made in the books.

5,000 টকাৰ বস্তু ৰামক বাকীত বিক্ৰী কৰা হৈছিল কিন্তু কোনো প্ৰৱিষ্টি লিপিবদ্ধ কৰা নাই।

*(iii)* An amount of ₹ 6,000 spent for the erection of machinery has been debited to Wages Account.

যন্ত্ৰপাতি স্থাপনৰ বাবে হোৱা 6,000 টকা খৰচ মজুৰি হিচাপত ডেবিট কৰা হৈছে।

**18.** State five distinctions between Statement of Affairs and Balance Sheet. 5

আৰ্থিক অৱস্থাৰ বিবৃতি আৰু উদ্বৃত্ত পত্ৰৰ মাজৰ পাঁচটা পাৰ্থক্য লিখা।

*Or / নাইবা*

Define Ledger. Explain its importance in recording of business transactions.

খতিয়নৰ সংজ্ঞা দিয়া। ব্যৱসায়িক লেনদেনবোৰ লিপিবদ্ধ কৰাত ইয়াৰ গুৰুত্ব লিখা।

**19.** Prepare a Bank Reconciliation Statement as on 31.12.2007 from the following particulars : 8

তলত দিয়া বিৱৰণীৰ পৰা 31 ডিচেম্বৰ, 2007 তাৰিখত এখন বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা :

*(i)* Bank balance as on 31.12.2007 as per Cashbook was ₹ 27,000.

নগদ বহী অনুযায়ী 31 ডিচেম্বৰ, 2007 তাৰিখত বেংকত জমাৰ পৰিমাণ 27,000 টকা।

*(ii)* Cheque paid into bank on 25th December, 2007 ₹ 7,500 but not collected by bank before 31.12.2007.

25 ডিচেম্বৰ, 2007ত 7,500 টকাৰ চেক বেংকত জমা দিয়া হয়, যদিও বেংকে 31 ডিচেম্বৰ, 2007 লৈকে সংগ্ৰহ কৰা নাই।

*(iii)* Cheque worth ₹ 9,500 issued prior to 31.12.2007 were not presented to the bank till 31.12.2007.

31 ডিচেম্বৰ, 2007ৰ আগতে আদায় দিয়া 9,500 টকাৰ চেকখন 31 ডিচেম্বৰ, 2007 পৰ্যন্ত পৰিশোধৰ বাবে বেংকত দাখিল হোৱা নাই।

*(iv)* Interest on deposit credited in the Passbook ₹ 250 but not recorded in the Cashbook.

পাচ বুক জমাৰ ওপৰত সুদ 250 টকা ক্ৰেডিট কৰা হয় কিন্তু নগদ বহীত প্ৰৱিষ্টি লেখা হোৱা নাই।

*(v)* Bank charges ₹ 300 recorded in the Passbook only.

বেংক ব্যয়ৰ বাবদ 300 টকা কেৱল মাত্ৰ পাচ বুকতহে প্ৰৱিষ্টি লিখা হৈছে।

*Or / নাইবা*

Write in brief on the following : 2×4=8

তলত দিয়াবোৰ চমুকৈ লিখা :

*(a)* Source document

মূল দলিল

*(b)* Single-entry system

এক-প্ৰৱিষ্টি হিচাপ পদ্ধতি

(c) Balancing of original entry

প্ৰাথমিক প্ৰৱিষ্টিৰ বহী

(d) Methods of charging depreciation

অৱক্ষয় ধাৰ্য কৰাৰ পদ্ধতি

**20.** The Machinery Account of a firm showed a balance of ₹ 75,000 as on 01.01.2000. A part of the machinery (whose book value on 01.01.2000 was ₹ 5,000) was sold for ₹ 3,500 on 01.04.2000.

On 01.09.2000 new machine was purchased with ₹ 24,000. The firm charges depreciation @ 10% p.a. under reducing balance method and accounts are closed on 31st December each year.

Prepare Machinery A/c in the books of the firm. 8

কোনো এটা ব্যৱসায়িক প্ৰতিষ্ঠানৰ 01.01.2000 চনত যন্ত্ৰপাতিৰ হিচাপত 75,000 টকা আছিল। সেই যন্ত্ৰপাতিৰ এক অংশ (যাৰ 01.01.2000 তাৰিখত বহীমূল্য 5,000 টকা) 01.04.2000 তাৰিখত 3,500 টকাত বিক্ৰী কৰা হ'ল।

01.09.2000 তাৰিখত প্ৰতিষ্ঠানটোৱে এটা নতুন মেছিন 24,000 টকাত কিনিলে। প্ৰতিষ্ঠানটোৱে ক্ৰমহ্ৰাসমান পদ্ধতিত বাৰ্ষিক 10 শতাংশ হাৰত অৱক্ষয় ধাৰ্য কৰে আৰু প্ৰতি বছৰে 31 ডিচেম্বৰত হিচাপ সামৰে।

প্ৰতিষ্ঠানটোৰ বহীত যন্ত্ৰপাতিৰ হিচাপ লিখি দেখুওৱা।

*Or / নাইবা*

Who is a holder of a negotiable instrument? Discuss the rights of a holder of a negotiable instrument.

হস্তান্তৰযোগ্য দলিলৰ ধাৰক কোন? তেওঁৰ অধিকাৰবোৰ আলোচনা কৰা।

**21.** Write eight advantages of subdivision of Journal. 8

জাবেদাৰ বিভাজনৰ আঠটা সুবিধা লিখা।

*Or / নাইবা*

Prepare a Triple-column Cash Book from the following information :

তলত দিয়া তথ্যসমূহৰ পৰা এখন তিনি-স্তম্ভযুক্ত নগদ বহী প্ৰস্তুত কৰা :

| | | | ₹ (টকা) |
|---|---|---|---|
| 2014 Oct | 1 | Cash in hand<br>হাতত নগদ জমা | 6,000 |
| | | Cash at bank<br>বেংকত নগদ জমা | 38,000 |
| " | 4 | Cash sales<br>নগদ বিক্ৰয় | 25,000 |
| " | 7 | Deposited into bank<br>বেংকত জমা কৰা হ'ল | 15,000 |
| " | 9 | Received cheque from Mr. Barua which is deposited into bank on the same day<br>Mr. Baruaৰ পৰা পোৱা চেকখন একেদিনাই বেংকত জমা দিয়া হ'ল | 8,000 |

| | | | ₹ (টকা) |
|---|---|---|---|
| 2014 Oct | 10 | Rent paid by cheque<br>চেকেৰে ভাড়া দিয়া হ'ল | 3,000 |
| " | 18 | Paid by cheque to Mr. *K* ₹ 6,700 in full settlement of his debt of ₹ 7,000<br>6,700 টকাৰ চেক দি Mr. *K*ৰ 7,000 টকাৰ হিচাপৰ মীমাংসা কৰা হ'ল | 7,000 |
| " | 23 | Withdrawn from bank for office use<br>বেংকৰ পৰা অফিচৰ ব্যৱহাৰৰ বাবে আহৰণ কৰা হ'ল | 3,000 |
| " | 25 | Withdrawn from bank for personal use<br>বেংকৰ পৰা ব্যক্তিগত ব্যৱহাৰৰ বাবে আহৰণ কৰা হ'ল | 2,000 |
| " | 30 | Salaries paid<br>দৰমহা দিয়া হ'ল | 6,000 |

**22.** Following is the Trial Balance of Rahul, a businessman, as on 31st December, 2004. You are required to prepare :

ৰাহুল নামৰ এজন ব্যৱসায়ীৰ 2004 চনৰ 31 ডিচেম্বৰত উদ্বৃত্ত মিলনপত্ৰ তলত দিয়া হৈছে :

*(i)* Trading Account.

ক্ৰয়-বিক্ৰয় হিচাপ প্ৰস্তুত কৰা।

*(ii)* Profit and Loss Account for the year ended on 31.03.2004 and a Balance Sheet as on that date : 8

2004 চনৰ 31 মাৰ্চৰ লাভ-লোকচান হিচাপ আৰু সেই তাৰিখত এখন উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা:

| *Debit (ডেবিট)* | ₹ (টকা) | *Credit (ক্ৰেডিট)* | ₹ (টকা) |
|---|---|---|---|
| Building (ভৱন) | 1,60,000 | Sundry Creditors (বিভিন্ন পাওনাদাৰ) | 60,000 |
| Opening Stock (আৰম্ভণি মজুত পণ্য) | 64,000 | Bills Payable (প্ৰদেয় বিল) | 25,000 |
| Furniture (আচবাব) | 50,000 | Return outward (ক্ৰয় ফেৰৎ) | 3,000 |
| Sundry Debtors (বিভিন্ন দেনাদাৰ) | 80,000 | Provision for Doubtful Debts (সন্দেহজনক ঋণ পুঁজি) | 2,500 |
| Plant and Machinery (যন্ত্ৰপাতি আৰু কলকব্জা) | 1,50,000 | Capital A/c (মূলধন) | 3,84,400 |
| Purchase (ক্ৰয়) | 2,80,000 | Sales (বিক্ৰী) | 4,80,000 |
| Bills Receivable (প্ৰাপ্য বিল) | 45,000 | | |
| Carriage inward (ক্ৰয়জনিত পৰিবহণ) | 2,400 | | |
| Carriage outward (বিক্ৰয়জনিত পৰিবহণ) | 2,100 | | |
| Discount allowed (বাট্টা প্ৰদান) | 1,400 | | |
| Bad Debts (অনুদ্ধাৰণীয় ঋণ) | 1,900 | | |
| Return inward (বিক্ৰয় ফেৰৎ) | 3,600 | | |
| Salaries (দৰমহা) | 48,000 | | |
| Wages (মজুৰি) | 46,000 | | |
| Cash at Bank (বেংকত নগদ জমা) | 20,500 | | |
| Total (মুঠ) | 9,54,900 | Total (মুঠ) | 9,54,900 |

*Adjustments* :

*সংযোজনসমূহ* :

*(i)* Closing Stock—₹ 75,000

সামৰণি মজুত পণ্য—75,000 টকা

*(ii)* Outstanding Salaries—₹ 6,000 and Outstanding Wages—₹ 5,000

অপ্ৰদত্ত দৰমহা—6,000 টকা আৰু অপ্ৰদত্ত মজুৰি—5,000 টকা

*(iii)* Provision for Bad Debt is to be maintained @ 5% on Sundry Debtors

দেনাদাৰৰ ওপৰত 5% হাৰত অনুদ্ধাৰণীয় ঋণৰ বাবে পুঁজি ৰাখিব লাগে

*(iv)* Depreciation is to be provided as follows :

তলত দিয়া মতে অৱক্ষয় ধাৰ্য কৰিব লাগে :

On Building @ 2½%

ভৱনৰ ওপৰত @ 2½%

On Plant and Machinery @ 15%

যন্ত্ৰপাতি আৰু কলকব্জাৰ ওপৰত @ 15%

On Furniture @ 20%

আচবাবৰ ওপৰত @ 20%

★★★